Total No. of Printed Pages—4

## 5 SEM TDC DSE ASM (CBCS) 1 (B) (H)

## 2025

( Nov/Dec )

### ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (B)

**( ভাৰতীয় সাহিত্যৰ পৰিচয় )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ লিখাঁ : ১×১০=১০

(ক) 'ইণ্ডিয়ান লিটাৰেচাৰ' পদটো কোনজন পাশ্চাত্য পণ্ডিতে প্ৰথম প্ৰয়োগ কৰিছিল?

(খ) "ভাৰত মাতৃ বহুভাষিণী"—এই মন্তব্য প্ৰদান কৰা অসমীয়া সাহিত্যিকজনৰ নাম কি?

(গ) 'Comparative Indian Literature Association' কোন চনত স্থাপন হৈছিল?

(ঘ) ‘ৰূপসী বাংলা’ পুথিখনৰ লেখকজনৰ নাম কি?

(ঙ) কোনখন গ্ৰন্থৰ বাবে ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল বঁটা লাভ কৰিছিল?

(চ) ৰমাকান্ত ৰথ কোনটো আধুনিক ভাৰতীয় ভাষাৰ লেখক?

(ছ) প্ৰেমচন্দই ৰচনা কৰা এখন উপন্যাসৰ নাম লিখাঁ।

(জ) গংগুৰ পত্নীৰ নাম কি আছিল?

(ঝ) ‘এটি কলি দুটি পাত’—অনূদিত উপন্যাসখনৰ মূল লেখকজনৰ নাম কি?

(ঞ) ‘জীৱনৰ অন্য এক নাম’ গ্ৰন্থখনত সন্নিৱিষ্ট গল্পবোৰ কোনে অনুবাদ কৰিছে?

২। (ক) ‘‘ভাৰতীয় সাহিত্যৰ ধাৰণাৰ প্ৰতিষ্ঠাৰ লগত ভাৰতীয় সাহিত্যৰ ঐক্যসূত্ৰৰ কথাটো সাঙোৰ খাই আছে।’’ এই উক্তিৰ আধাৰত ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) ভাষা, স্থান আৰু কালৰ ব্যৱধান থাকিলেও ভাৰতীয় সাহিত্যত ভাৱৰ ঐক্য কি ধৰণে ৰক্ষিত হৈছে, বহলাই আলোচনা কৰাঁ।





৩। (ক) সৰ্বেশ্বৰ দয়াল সাক্সেনাৰ কাব্যকৃতিৰ পৰিচয় দি তেওঁৰ ‘কাঠৰ ঘণ্টাবোৰ’ কবিতাৰ মাজেদি এফালেদি যন্ত্ৰণা আৰু হতাশা আৰু তাৰ বিপৰীতে জীৱনৰ প্ৰতি আশা আৰু উদ্যমৰ ছবিখন কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ৬+৮=১৪

*অথবা*

(খ) ‘বনলতা সেন’ কবিতাত জীৱন-যন্ত্ৰণা আৰু প্ৰেম-সান্ত্বনা আদি ভাৱবোৰৰ প্ৰকাশ কিদৰে ঘটিছে, উপযুক্ত উদ্ধৃতিসহ আলোচনা কৰাঁ। ১৪

৪। (ক) ৰবীন্দ্ৰনাথ ঠাকুৰৰ ‘শাস্তি’ গল্পটোত সমাজ-বাস্তৱতাৰ ছবি কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) গল্পকাৰ প্ৰেমচন্দৰ চমু পৰিচয় দি ‘হাতী আৰু হাৰিকেন লেম্প’ গল্পটোৰ কথাভাগ নিজৰ ভাষাৰে চমুকৈ লিখাঁ। ৭+৮=১৫

৫। (ক) ‘এটি কলি দুটি পাত’ উপন্যাসখনৰ মাজেৰে চাহ শ্ৰমিকসকলৰ জীৱনৰ ছবিখনৰ প্ৰকাশ কিদৰে হৈছে, আলোচনা কৰা। ১৫

*অথবা*

(খ) মুল্কৰাজ আনন্দৰ সাহিত্যকৃতিৰ চমু পৰিচয় দি উপন্যাসখনত প্ৰতিফলিত ঔপনিৱেশিক চাহ খেতিয়কসকলৰ বিলাসী জীৱনপ্ৰণালীৰ এটি আভাস দিয়াঁ। ৭+৮=১৫

৬। (ক) ভীষ্ম সাহনীৰ 'হানুছ' নাটকখনত এজন শিল্পীৰ সৃষ্টিৰ তাড়না আৰু সংঘাতময় জীৱনৰ যন্ত্ৰণা 'হানুছ' চৰিত্ৰৰ মাজেৰে কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ৬+৬=১২

অথবা

(খ) চমু টোকা লিখাঁ : ৬+৬=১২

(১) কাত্যা

(২) এমিল

★★★